**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 17-04-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

ooooo

১। লোকসভাত কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আলোচনা।

২। ফাষ্ট ট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ হত্যাৰ শুনানী। চৰকাৰী পক্ষৰ হৈ আদালতত মহাধিবক্তা দেৱজিৎ শইকীয়াৰ যুক্তি প্ৰদৰ্শন।

৩। ভাৰত-ভুটান সীমান্তৰ ৰুণীখাটাত বনাঞ্চলৰ ভূমি দখলক লৈ উত্তপ্ত পৰিস্থিতি। চিৰাং আৰু কোকৰাঝাৰ জিলাত সাময়িকভাৱে ইণ্টাৰনেট সেৱা কৰ্তন।

৪। ৰঙালী বিহুৰ চতুৰ্থ দিনটো আজি তাঁতৰ বিহু হিচাপে পালন।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

লোকসভাত সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আজি আলোচনা অব্যাহত আছে। নিম্ন সদনখনত কালি মাজনিশালৈ তিনিওখন বিধেয়কক লৈ আলোচনা হয়। এই বিধেয়ক তিনিখনৰ জৰিয়তে দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত লোকসভা আৰু বিধানসভাত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ বিচৰা হৈছে। আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয়, যে নাৰী শক্তি বন্দন অধিনিয়ম মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়ক নহয় আৰু নাৰী সৱলীকৰণৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। সংসদত এই বিধেয়ক তিনিখন উত্থাপন কৰি নিৰ্বাচনী মানচিত্ৰ সলনি কৰাৰ প্ৰয়াস কৰা হৈছে বুলি তেওঁ দাবী কৰে। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অধিনিয়মৰ বিৰোধিতা কৰাসকলক জনতাই কেতিয়াও ক্ষমা নকৰে বুলি মন্তব্য কৰে।

এই সন্দৰ্ভত বিতৰ্কত অংশগ্ৰহণ কৰি ডি এম কেৰ সাংসদ কে কানিমোঝিয়ে বিধেয়ক কেইখনৰ বিৰোধিতা কৰি, ২০২৩ বৰ্ষত গৃহীত মহিলা সংৰক্ষণ আইনৰ বিষয়ে চৰকাৰে যোৱা নিশাহে জাননী জাৰি কৰাটোক উদ্বেগজনক বুলি অভিহিত কৰে। সদনত মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টোক লৈ আলোচনা অনুষ্ঠিত হৈ থকা সময়ত এনে ব্যৱস্থাৰ কি প্ৰয়োজন আছিল বুলি তেওঁ প্ৰশ্ন কৰে। সাংসদগৰাকীয়ে লগতে

তামিলনাডুকে ধৰি বিভিন্ন ৰাজ্যত হৈ থকা নিৰ্বাচনত বিঘিনি ঘটোৱাৰ উদ্দেশ্যেহে এই বিশেষ অধিবেশনত বিধেয়ককেইখন উত্থাপন কৰা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সম্প্ৰতি সৰ্বসন্মত ৰাজনৈতিক সিদ্ধান্তৰ দুৱাৰদলিত উপস্থিত হৈছে বুলি মত প্ৰকাশ কৰে।

ooooo

বিশেষ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানী অব্যাহত আছে। গোচৰটো কি কি ধাৰাৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলিব সেই লৈ আজিৰে পৰা চৰকাৰী পক্ষৰ যুক্তি প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। মহাধিবক্তা দেৱজিৎ শইকীয়াই আজি আদালতত চৰকাৰী পক্ষৰ হৈ যুক্তি প্ৰদৰ্শন কৰে। ৰাজ্যৰ প্ৰচিকিউশ্যন সঞ্চালক মাখন ফুকনো আদালতত শুনানীৰ সময়ত উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মহাধিবক্তা দেৱজিৎ শইকীয়াই কয় যে ৰাজ্য চৰকাৰে সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে।

(বাইট - দেবজিৎ শইকীয়া)

উল্লেখযোগ্য যে ইতিপূৰ্বে গোচৰটোৰ চাৰ্জ ফ্ৰেম সন্দৰ্ভত অভিযুক্ত পক্ষৰ অধিবক্তাৰ যুক্তি প্ৰদান প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। প্ৰায় এপষেক ধৰি ৭ অভিযুক্তৰ অধিবক্তাই আদালতত যুক্তি দৰ্শাইছিল। ইফালে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ মালিকানাধীন **মহাবীৰ একুৱা** নামৰ পানীৰ ফেক্টৰীৰ ব্যৱসায় পুনৰ আৰম্ভ কৰাক লৈ দাখিল কৰা এখন আবেদনৰ শুনানীও আজি ফাষ্টট্ৰেক আদালতে গ্ৰহণ কৰে। ২৯ এপ্ৰিলত আদালতে এই গোচৰটোৰ ৰায়দান কৰিব।

ooooo

চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাটাত জিলাখনৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰাৰ অভিযোগত কালি বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কেইবাজনো লোকক আটক কৰি অনা ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আজি পুৱা আটকাধীন লোকসকলক মোকলাই দিয়াৰ দাবীৰে একাংশ লোক বন বিভাগৰ কাৰ্যালয়ত সমাবেত হৈছিল। পৰৱৰ্তী সময়ত স্থানীয় লোকসকলে কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি বন বিভাগৰ লোকে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোতে কেইবাগৰাকীও প্ৰতিবাদকাৰী মহিলা কম-বেছি পৰিমাণে আহত হয়। ইয়াৰ পাছতে প্ৰতিবাদকাৰীসকল অধিক উত্তেজিত হৈ পৰে। পৰৱৰ্তী সময়ত উত্তেজিত জনতাই কাৰ্যালয়ৰ চৰকাৰী বাহনৰ লগতে কৰ্মচাৰীৰ বাহনতো অগ্নি সংযোগ কৰে। প্ৰতিবাদকাৰীসকল ইয়াতেই ক্ষান্ত নাথাকি ১২৭ নং ভাৰত-ভূটান সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে উক্ত স্থানত অতিৰিক্ত আৰক্ষী বাহিনী মোতায়ন কৰা হয়। পৰৱৰ্তী সময়ত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰিব লগা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণত আছে। আইন-শৃংখলা পৰিস্থিতি যাতে অধিক অৱনতি নহয় তাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তেৱাৰীয়ে এক নিৰ্দেশযোগে দুয়োখন জিলাৰ ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ নিৰ্দেশ জাৰি কৰিছে।

ooooo

অসমত ৰন্ধন গেছৰ ঘৰুৱা আৰু বাণিজ্যিক চিলিণ্ডাৰৰ যোগানত কোনো অসুবিধাৰ সৃষ্টি হোৱা নাই বুলি ভাৰতীয় তেল নিগম কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। গুৱাহাটীত আজি আয়োজিত এখন সংবাদমেলত ভাৰতীয় তেল নিগমৰ কাৰ্যবাহী সঞ্চালক নীতিন ভাটনাগৰে এই সন্দৰ্ভত কয় যে ৰাজ্যৰ ৪ টা শোধানাগাৰতেই সম্প্ৰতি নিয়মীয়াকৈ উৎপাদন তথা যোগান অব্যাহত আছে।

এই সন্দৰ্ভত শ্ৰীভাটনাগৰে এইদৰে কয় যে-

(বাইট -নীতিন ভাটনাগৰ)

নতুনকৈ প্ৰৱৰ্তন কৰা ই-কে ৱাই চি পদ্ধতিৰ জৰিয়তে ৰাজ্যখনৰ ৮৪ শতাংশ গ্ৰাহকে চিলিণ্ডাৰ বুক কৰাৰ তথ্য প্ৰকাশ কৰি শ্ৰীভাটনাগৰে কয় যে সম্প্ৰতি ৰাজ্যৰ ৯৩ লাখ গ্ৰাহকক নিয়মীয়াকৈ ইন্ধন যোগান ধৰি থকা হৈছে।

তদুপৰি নিৰ্ধাৰিত মূল্যতকৈ অধিক দৰত চিলিণ্ডাৰ বিক্ৰীৰ অভিযোগ সন্দৰ্ভত কৰ্তৃপক্ষই জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে অভিযোগক কেন্দ্ৰ কৰি ইতিমধ্যে ৮৮ গৰাকী বিতৰকক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ লগতে ৬ টা বিতৰকক নিলম্বন কৰা হৈছে। আনহাতে, অধিক দৰত চিলিণ্ডাৰ বিক্ৰী কৰাৰ অভিযোগত ৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন কৰিছে। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল তাঁতৰ বিহু। অসমীয়া জনজীৱনৰ আদৰৰ সম্পদ তাঁতশালৰ গুৰুত্ব অনুধাৱনেৰে ৰঙালী বিহুৰ চতুৰ্থ দিনা তাঁতৰ বিহু পালন কৰি অহা হৈছে। কাইলৈ নাঙল বিহু, পৰহিলৈ জীয়ৰী বা চেনেহী বিহু আৰু সোমবাৰে চেৰাবিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য দেখা যায়। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা মঞ্চ বিহু অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে। ঐতিহ্যমণ্ডিত লতাশিল বিহুতলীত আজি সন্ধিয়া বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবাৰ মহাৰজৎ জয়ন্তী উদযাপন কৰিছে।

বাক্সা জিলাৰ মধ্য বৰপেটাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা ৰঙালী বিহুৰ কালি সামৰণি পৰে। তামুলপুৰ জিলাৰ কচুবাৰীত জেং বিহুৰ সুন্দৰ পৰিৱেশন পৰিলক্ষিত হয়। অঞ্চলটোৰ স্থানীয় জীয়ৰী-বোৱাৰীৰে গঠিত বিৰিণা জেং বিহুৰ দলে লোক-পৰম্পৰা অনুসৰি, গাঁৱৰ প্ৰতি ঘৰ মানুহৰ চোতালত জেং বিহু প্ৰদৰ্শন কৰে। সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত ৰঙালী বিহুৰ কাৰ্য্যসূচী আজি মন্ত্ৰী চৰণ বড়োৱে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি ৰাজ্যখনত শান্তি-সমৃদ্ধি-প্ৰগতি আৰু ভাতৃত্ববোধৰ ক্ষেত্ৰত নতুন দিগন্ত সূচনা কৰাৰ কামনা কৰে।

ooooo

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ২১ এপ্ৰিলৰ পাছত ঘোষণা কৰা হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি এখন জাননী যোগে প্ৰকাশ কৰিছে। আজি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰচাৰ হোৱা এটা বাতৰি ভুৱা বুলি স্পষ্টীকৰণ দি শিক্ষা পৰিষদে এই জাননী জাৰি কৰিছে। লগতে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকক উৰা বাতৰিত ভোল নাযাবলৈ আহ্বান জনাই ফলাফল ঘোষণাৰ সঠিক দিন আৰু সময় পৰৱৰ্তী সময়ত জনোৱা হ'ব বুলি জাননী যোগে শিক্ষা পৰিষদে প্ৰকাশ কৰিছে। একেখন জাননীতে কেৱল চৰকাৰী ৱেবছাইটৰ তথ্যৰ ওপৰতহে বিশ্বাস ৰাখিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৫ খন উপত্যকা জিলাত মোবাইল ডাটা সেৱা বন্ধ ৰখাৰ নিৰ্দেশ কাইলৈ পৰ্যন্ত বঢ়াই দিছে। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত যোৱা ৭ এপ্ৰিলৰ পৰা এই সেৱা বন্ধ ৰখা হৈছিল। কালি এই বন্ধৰ নিৰ্দেশ পুনৰ দুদিনলৈ বঢ়াই দিয়া হয়।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

ooooo

বিহুৰ সমান্তৰালভাৱে বিভিন্ন জনগোষ্ঠীৰ বসন্তকালীন উৎসৱেও ৰাজ্য মুখৰ কৰি তুলিছে। তিৱা জনগোষ্ঠীৰ উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু, বড়োসকলৰ বৈসাগু, শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলৰ বাঁহ গোসাঁই উৎসৱ ৰাজ্যৰ ঠায়ে ঠায়ে পালন কৰা হৈছে।

চিৰাং জিলাৰ কাজল গাঁৱৰ দাংতল ৰংজালী বৈসাগু উদযাপন সমিতিয়ে উলহ-মালহেৰে ৰংজালী বৈসাগু উৎসৱৰ আয়োজন কৰিছে। পৰম্পৰাগতভাৱে পালন কৰি অহা ৰংজালী বৈসাগুত কালি মুকলি বিহু লাংডাং বৈসাগু অনুষ্ঠিত হয়। এই বিহুত সকলোৱে পৰম্পৰাগত জাতিয় সাজ-পাৰ পৰিধান কৰি নাচ-গানত অংশ লয়।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে বাথৌ দেৱতাক প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা আদি বাদ্যৰে গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

টিংখঙৰ চহৰীকাটা গাঁৱত সোণোৱাল কছাৰীৰ লোকসকলে ঘৰে ঘৰে পৰম্পৰাগত হাইদাং হুঁচৰি পৰিৱেশন কৰে।

দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও পৰহিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-

গাভৰুসকলে সামাজিক স্থানত লোক গীত, লোক নৃত্য পৰিৱেশন কৰে। সাদিনীয়া বিছু উৎসৱ পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

কার্বি আংলং জিলাৰ উমছুৱাইৰ আমছং পিনুঙত অহা ২২ এপ্রিলৰ পৰা তিনিদিনীয়া কার্যসূচীৰে তিৱা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ লুখুমী য়াংলি অর্থাৎ লখিমী আদৰা উৎসৱ পালন কৰা হ'ব। প্রতি ৫ বছৰ মূৰে মূৰে এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱৰ বাবে ইতিমধ্যে গাঁওবাসীয়ে প্রস্তুতি আৰম্ভ কৰিছে।

ooooo

চলিত বর্ষৰ হজযাত্রা কাইলৈ আৰম্ভ হ'ব বুলি কালি উত্তৰ-পূব হজযাত্রা অভ্যর্থনা সমিতিয়ে ঘোষণা কৰিছে। অসমকে ধৰি উত্তৰ পূর্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী হজযাত্রী এই যাত্রাৰ বাবে ৰাওনা হ'ব। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা হজযাত্রী আছে। উত্তৰ-পূব হজযাত্রী অভ্যর্থনা সমিতিৰ সভাপতি নেকিবুৰ জামানে গুৱাহাটীত আয়োজিত এখন সংবাদমেলত কয় যে কাইলৈৰ পৰা ২১ এপ্রিললৈ পর্যায়ক্রমে এইসকল যাত্রী মক্কা আৰু মদিনালৈ যাব। হজযাত্রীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকল গুৱাহাটী বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। হজযাত্রীসকলৰ মংগলৰ বাবে আজি সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্রার্থনাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **বিহুনামত প্রকৃতি আৰু অসমীয়া সমাজৰ স্থান** শীর্ষক এটা সাক্ষাৎকাৰ প্রচাৰ কৰা হ'ব। অসমৰ প্রথমগৰাকী বিহু সম্রাজ্ঞী তথা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ৰূপা ডেকা পাটৰৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্রহণ কৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্রযোজনা আকাশবাণী গুৱাহাটী কেন্দ্রৰ বাতৰি বিভাগৰ।

ooooo

পাটাছাৰকুছিৰ সৰিহ চাকলা নিবাসী, বিশিষ্ট যুৱ ব্যৱসায়ী, সমাজকর্মী তথা পাটাছাৰকুছিৰ এন আৰ এল পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰী মহিৰুল ইছলামৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত দেহাৱসান ঘটে। যোৱা ১১ এপ্রিলৰ নিশা প্রয়াত ইছলাম বাক্সা জিলাৰ শালবাৰীৰ ওচৰত সংঘটিত পথ দুর্ঘটনাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছিল।

ooooo

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্র মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত